# অসীমৰ যাত্ৰাত

## কাঞ্চন বৰুৱা

সম্পাদনা

নবীন বৰুৱা

ড° বিনীতা বৰা দেৱচৌধুৰী



২৪। তিনিখন উপন্যাসৰ জলঙাৰে কাঞ্চন বৰুৱা
✍ ড° প্ৰাঞ্জল শৰ্মা বশিষ্ঠ ...... ১৫৩
২৫। দ্বিতীয় বিশ্বযুদ্ধ আৰু স্বাধীনতা সংগ্ৰামৰ পটভূমিত কাঞ্চন বৰুৱাৰ উপন্যাস 'অশান্ত প্ৰহৰ'
✍ ড° মীনাক্ষী বৰুৱা ...... ১৫৯
২৬। অসীমত হেৰাই নোযোৱা 'পুৰতি তৰা'
✍ ড° জ্যোতিনীলিমা গগৈ ...... ১৬৪
২৭। কাঞ্চন বৰুৱাৰ 'জয়ামহল'
✍ ড° নমিতা বৰুৱা ...... ১৬৮
২৮। কাঞ্চন বৰুৱাৰ উপন্যাস 'পুৰতি তৰা' আৰু 'সুৱৰ্ণ বলয়' ঃ এক বিশ্লেষণ
✍ ড° নয়নজ্যোতি ভূঞা ...... ১৭৪
২৯। কাঞ্চন বৰুৱাৰ উপন্যাস 'অসীমত যাৰ হেৰাল সীমা' এটি অৱলোকন
✍ নিশামণি দাস ...... ১৮৯
৩০। 'অশান্ত প্ৰহৰ' উপন্যাসত বিহংগম দৃষ্টি
✍ ড° ৰীতা দত্ত ...... ১৯৫
৩১। সাধাৰণ মানুহৰো থাকে অসাধাৰণ ফেণ্টাছী
✍ জুৰি বৰুৱা ...... ২০৪
৩২। কাঞ্চন বৰুৱাৰ উপন্যাসৰ বিষয়বস্তু নিৰ্বাচন আৰু পৃষ্ঠপট নিৰ্মাণ
✍ স্ৰোতস্বিনী তামুলী ...... ২০৮
৩৩। কাঞ্চন বৰুৱাৰ 'অসীমত যাৰ হেৰাল সীমা' আৰু সামাজিক মাধ্যমত চলোৱা এক সমীক্ষা
✍ গায়ত্ৰী খাৰঘৰীয়া ...... ২১২
■ **লেখক পৰিচিতি** ...... ২১৯

# কাঞ্চন বৰুৱাৰ 'অসীমত যাৰ হেৰাল সীমা' আৰু সামাজিক মাধ্যমত চলোৱা এক সমীক্ষা

✍ গায়ত্ৰী খাৰঘৰীয়া

শ্ৰদ্ধাৰ হোমেন বৰগোহাঞিৰ ছাৰে এটা প্ৰবন্ধত লিখিছিল 'আলেকজেন্দ্ৰিয়া কোৱাৰ্টেট' নামৰ উপন্যাসমালাৰ লেখক লৰেঞ্চ ডাৰেলে এবাৰ কাৰোবাৰ অনুৰোধত পৃথিৱীৰ এশখন শ্ৰেষ্ঠ কিতাপৰ তালিকা প্ৰস্তুত কৰিছিল। তাত মিল্টনৰ 'পেৰেডাইজ লষ্ট'য়েও ঠাই পাইছিল। কিন্তু পৰৱৰ্তী সময়ত ডাৰেলে স্বীকাৰ কৰিছিল যে তেওঁ পেৰেডাইজ লষ্ট কেতিয়াও পঢ়া নাই।

এই যি জনপ্ৰিয়তা, যি চিনাকি, নপঢ়াকৈয়ে ভাল হ'ব, শ্ৰেষ্ঠ হ'ব যেন যি ধাৰণা সেই তেনে এটা ধাৰণা মই প্ৰোথিত কৰি ৰাখিছিলোঁ *'অসীমত যাৰ হেৰাল সীমা'* নামৰ সকলোৰে চিনাকি উপন্যাসখনৰ ক্ষেত্ৰত। সম্ভৱ মোকো যদি কেতিয়াবা কোনোবাই শ্ৰেষ্ঠ ১০০ খন অসমীয়া উপন্যাসৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ দিয়ে তাত নিশ্চয় এইখন উপন্যাসে ঠাই পাব। কৈশোৰ সময়ৰ পৰাই *'অসীমত যাৰ হেৰাল সীমা'*ই তথা সেই উপন্যাসকেন্দ্ৰিক কিছু কথাই মোক আকৰ্ষণ কৰি আহিছিল। প্ৰথম কথা, সেই সময়ত মানে প্ৰায় বিংশ শতিকাৰ শেষৰ কেইটামান দশক আৰু একবিংশ শতিকাৰ প্ৰথম দশকলৈকে হাইস্কুল শিক্ষান্ত পৰীক্ষাতে হওক বা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাতে হওক স্থান পোৱা ছাত্ৰ-ছাত্ৰী প্ৰায় প্ৰত্যেকৰে মুখত প্ৰিয় উপন্যাস হিচাপে এইখন উপন্যাসৰ নামেই প্ৰায় শুনিবলৈ, পঢ়িবলৈ পাইছিলোঁ। যাৰ বাবে মই প্ৰায় সপ্তম-অষ্টম শ্ৰেণীৰ পৰাই দৃঢ় আছিলোঁ যে এইখন এখন উৎকৃষ্ট উপন্যাস। উচ্চতৰ মাধ্যমিকত পঢ়ি থাকোঁতে এইখন উপন্যাসৰ সোৱাদ ল'লোঁ। সঁচা কথা, প্ৰথমবাৰ পঢ়িবলৈ লৈ অলপ পঢ়ি জপাই থ'লোঁ। কথাবোৰ বুজিবলৈ জটিল পালোঁ নে বেছি পাক লগা পালোঁ নিজেও নাজানো। কিছু মাহৰ পিচত পুনৰ মেলি ল'লোঁ। সেইবাৰ পাকবোৰ নিজে নিজে খুলি গ'ল আৰু এটা বেলেগ সোৱাদ পালোঁ। যি সোৱাদ এতিয়াও মনৰ ক'ৰবাত